**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-OCT-2025
**Time :** 1340 Hrs

***Assamese Midday Bulletin***
***Headlines***
*--------------------*

১। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে হিন্দুস্তান এৰ'নেটিকছ্ লিমিটেডৰ নাছিক উৎপাদন কেন্দ্ৰত উৎপাদন কৰা প্ৰথমটো তেজছ্ এল চি এ এম কে-১এ যুদ্ধ বিমান মুকলি কৰে।

২। কেন্দ্ৰীয় উত্তৰ পূৰ্বাঞ্চল উন্নয়ন মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই উত্তৰ পূৰ্বাঞ্চল দেশৰ বিকাশৰ ইঞ্জিন হিচাপে পৰিগণিত হৈছে বুলি প্ৰকাশ কৰিছে।

৩। শ্ৰীলংকাৰ প্ৰধানমন্ত্ৰী ড০ হৰিণী নিৰেকা অমৰা চুৰিয়াই নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত নীতি আয়োগৰ ভূমিকাৰ প্ৰশংসা কৰিছে।

৪। ছত্তিশগড়ত আজি মুঠ ২০৮জন নক্সাল উগ্ৰপন্থীয়ে অস্ত্ৰ সম্বৰণ কৰে।

**আৰু**

৫। আই চি চি মহিলাৰ বিশ্বকাপ প্ৰতিযোগিতাৰ এখন খেলত আজি শ্ৰীলংকা, দক্ষিণ আফ্ৰিকাৰ মুখামুখি হ'ব।

০০০০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে হিন্দুস্তান এৰ'নেটিকছ্ লিমিটেডৰ নাছিক উৎপাদন কেন্দ্ৰত উৎপাদন কৰা প্ৰথমটো তেজছ্ এল চি এ এম কে-১এ যুদ্ধ বিমান মুকলি কৰে। এই অনুষ্ঠানতে প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে এইচ টি টি ফৰ্‌টি অনুশীলন বিমান নিৰ্মাণৰ শুভাৰম্ভও কৰে।

অনুষ্ঠানত ভাষণ দি মন্ত্ৰী শ্ৰীসিঙে নাছিক সংমণ্ডলত নিৰ্মিত চুখই-থাৰ্টি, এল চি এ আৰু এইচ টি টি ফৰ্‌টি বিমানৰ নিৰ্মাণৰ প্ৰশংসাও কৰে। তেওঁ কয় যে এই বিমানসমূহ প্ৰতিৰক্ষা খণ্ডত দেশৰ আত্মনিৰ্ভৰতাৰ সূচক হিচাপেও চিহ্নিত হৈছে।

০০০০০০

কেন্দ্ৰীয় উত্তৰ পূৰ্বাঞ্চল উন্নয়ন মন্ত্ৰী জ্যোতিৰাদিত্য সিন্ধিয়াই উত্তৰ পূৰ্বাঞ্চল দেশৰ বিকাশৰ ইঞ্জিন হিচাপে পৰিগণিত হৈছে বুলি প্ৰকাশ কৰিছে। তেওঁৰ মন্ত্ৰালয়ৰ এবছৰীয়া সফলতাৰ বিষয়ে আজি নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীসিন্ধিয়াই কয় যে যোৱা ১১টা বছৰত উত্তৰ পূৰ্বাঞ্চলৰ সামৰ্থ্যক আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত উপস্থাপন কৰা বাবে চৰকাৰে অবিৰতভাৱে কাম কৰি আহিছে। তেওঁ কয় যে এই সময়ছোৱাত উত্তৰ পূৰ্বাঞ্চলত বিমান বন্দৰৰ সংখ্যা পূৰ্বৰ ৯টাৰ পৰা ১৭টালৈ বৃদ্ধি পাইছে। উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মাজেৰে যোৱা ৰাষ্ট্ৰীয় ঘাইপথৰ দৈৰ্ঘ্য পূৰ্বৰ ১০ হাজাৰ কিলোমিটাৰৰ পৰা বৰ্তমান ১৬ হাজাৰলৈ বৃদ্ধি হৈছে বুলিও তেওঁ উল্লেখ কৰে। তেওঁ কয় যে উত্তৰ পূৰ্বাঞ্চলত বিনিয়োগ আৰু উন্নয়নৰ সম্ভাৱনীয়তাক অধিক শক্তিশালী কৰাৰ বাবে বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা হৈছে। তেওঁ কয় যে যোৱা মে' মাহত অনুষ্ঠিত উত্তৰ-পূব সন্মিলনত অঞ্চলটোত ৪ লাখ ৪৮ হাজাৰ কোটি টকা বিনিয়োগ কৰাৰ সিদ্ধান্ত

গ্ৰহণ কৰা হৈছে। তেওঁ লগতে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুকলি কৰা অষ্টলক্ষ্মী দৰ্শন কাৰ্যসূচীৰ অধীনত সমগ্ৰ দেশৰ ৩ হাজাৰ ২০০গৰাকী ছাত্ৰ-ছাত্ৰীয়ে উত্তৰ পূৰ্বাঞ্চল সাংস্কৃতিক ঐতিহ্যৰ বিষয়ে অধ্যয়ন কৰাৰ বাবে অঞ্চলটো ভ্ৰমণ কৰিব।

০০০০০০

শ্ৰীলংকাৰ প্ৰধানমন্ত্ৰী ড০ হৰিণী নিৰেকা অমৰা চুৰিয়াই নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত নীতি আয়োগৰ ভূমিকাৰ প্ৰশংসা কৰিছে। কালি নতুন দিল্লীত প্ৰধানমন্ত্ৰী ড০ অমৰা চুৰিয়াই নীতি আয়োগৰ কাৰ্যালয়ত উপস্থিত হয়। প্ৰধানমন্ত্ৰীগৰাকীয়ে নীতি আয়োগৰ কাৰ্যপ্ৰণালী আৰু প্ৰমাণ-ভিত্তিক নীতি নিৰ্ধাৰণ কাৰ্যসূচী সন্দৰ্ভত জানিবলৈ আগ্ৰহ প্ৰকাশ কৰে।

শ্ৰীলংকাৰ প্ৰধানমন্ত্ৰীগৰাকীয়ে দেশখনৰ সংস্কাৰ যাত্ৰা আৰু নীতিগত সংহতি বৃদ্ধি কৰাৰ ক্ষেত্ৰত এনে ধৰণৰ প্ৰতিষ্ঠানৰ প্ৰয়োজনীয়তা সন্দৰ্ভতো আলোকপাত কৰে। নীতি আয়োগৰ উপাধ্যক্ষ সুমন বেৰীয়ে দেশৰ বহুমুখী উন্নয়নৰ বাবে প্ৰধানমন্ত্ৰী গতিশক্তি আন্তঃগাঁথনি উন্নয়ন পদক্ষেপ, ৰাষ্ট্ৰীয় শিক্ষা নীতি ২০২০ আৰু পৰ্যটন তথা সাংস্কৃতিক বিনিময় কাৰ্যসূচী সন্দৰ্ভত আলোকপাত কৰে। শ্ৰীলংকাৰ প্ৰধানমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণ কালত ভাৰত আৰু শ্ৰীলংকাৰ মাজৰ সম্পৰ্কত গুৰুত্ব আৰোপ কৰি দুয়ো দেশৰ মাজৰ বাণিজ্য, বিনিয়োগ, অৰ্থনৈতিক আৰু প্ৰযুক্তি সহযোগিতা সন্দৰ্ভত গ্ৰহণ কৰা চুক্তিসমূহৰ বিষয়েও দাঙি ধৰা হয়।

শ্ৰীলংকাৰ প্ৰধানমন্ত্ৰীগৰাকীৰ এই ভ্ৰমণে দুয়ো দেশৰ মাজৰ কৌশলগত অংশীদাৰিত্ব, বহনক্ষম উন্নয়ন, উদ্ভাৱন আৰু আঞ্চলিক প্ৰত্যাহ্বানৰ মুখামুখি তথা সুযোগ গ্ৰহণৰ ক্ষেত্ৰত দক্ষতা সৃষ্টিত বিশেষ অৰিহণা যোগাব বুলি আশা কৰা হৈছে। দুয়োখন দেশে জ্ঞান, প্ৰযুক্তি তথা চুবুৰীয়া প্ৰথম নীতি আৰু মহাসাগৰ কাৰ্যসূচী সন্দৰ্ভত নিজৰ নিজৰ প্ৰতিশ্ৰুতিসমূহ পূৰণৰ আগ্ৰহ প্ৰকাশ কৰিছে।

০০০০০০

ছত্তিশগড়ত আজি মুঠ ২০৮জন নক্সাল উগ্ৰপন্থীয়ে অস্ত্ৰ সম্বৰণ কৰে। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা মতে পাহাৰীয়া বনাঞ্চল অবুজমাৰ নক্সাল উগ্ৰপন্থীৰ কবলৰ পৰা মুক্ত হৈছে আৰু ইয়াৰ ফলত ৰাজ্যখনৰ উত্তৰ বাস্তাৰ অঞ্চলত চলি থকা নক্সাল উগ্ৰপন্থীৰ দশকজোৰা আতংকৰ সমাপ্তি ঘটিছে। জানিব পৰা মতে আত্মসমৰ্পন কৰা এই গোটটোত ১১০গৰাকী মহিলা আৰু ৯৮জন পুৰুষ আছে। তেওঁলোকে এ কে ৪৭ ৰাইফল আৰু এছেলাৰ ৰাইফলকে ধৰি মুঠ ১৫৩বিধ অস্ত্ৰ-শস্ত্ৰসহ আত্মসমৰ্পন কৰে।

০০০০০০

জ্যেষ্ঠ বিজেপি নেতা তথা কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি বিহাৰৰ মুখ্যমন্ত্ৰী নীতিশ কুমাৰৰ সৈতে সমাগত বিহাৰ বিধানসভা নিৰ্বাচনৰ ক্ষেত্ৰত নিৰ্বাচনী প্ৰচাৰ সন্দৰ্ভত আলোচনাত মিলিত হয়।

কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীয়ে কালি নিৰ্বাচনী সমিতিৰ কেইবাগৰাকীও জ্যেষ্ঠ নেতা তথা সদস্যৰ সৈতে আলোচনাত মিলিত হয়। এটা অনুষ্ঠানত শ্ৰীশ্বাহে কয় যে সমাগত নিৰ্বাচনত জয়লাভ কৰা প্ৰাৰ্থীসকলৰ সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে সিদ্ধান্ত গ্ৰহণ কৰিব।

০০০০০০

সংস্কাৰ কাৰ্যসূচীৰ জৰিয়তে বৰ্তমান আৰ্থিক সুস্থিৰতা লাভ কৰা শ্ৰীলংকা সন্দৰ্ভত ৰাষ্ট্ৰসংঘৰ উল্লেখনীয় সংস্থা আন্তঃৰাষ্ট্ৰীয় মুদ্ৰানিধিয়ে দেশখনক ভূয়সী প্ৰশংসা কৰিছে। উল্লেখযোগ্য যে ব্যাপক অৰ্থনৈতিক সংকটৰ পৰা দেশখন মুক্ত হৈ বৰ্তমান সুস্থিৰ অৰ্থনীতিৰ দিশে অগ্ৰসৰ হৈছে।

আঞ্চলিক অৰ্থনৈতিক দৃষ্টিভংগী সন্দৰ্ভত এখন বৈঠকত আন্তঃৰাষ্ট্ৰীয় মুদ্ৰা নিধিয়ে এছিয়া প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ আই এম এফৰ সঞ্চালক কৃষ্ণ শ্ৰীনিবাসন আৰু উপ-সঞ্চালক থমাছ্ হেলব্লিঙে কয় যে বিগত বৰ্ষত শ্ৰীলংকাৰ অৰ্থনীতি ৫ শতাংশ বৃদ্ধি হৈ ২০২৫ চনত ৪ দশমিক ২ শতাংশলৈ বৃদ্ধি হোৱাৰ আশা কৰা হৈছে।

০০০০০০

বিজেপিয়ে আজি সমাগত ৰাজস্থান বিধানসভাৰ উপ-নিৰ্বাচনৰ বাবে দলৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। মোৰপাল সুমনক আণ্টা বিধানসভা সমষ্টিৰ বাবে প্ৰাৰ্থিত্ব দিয়া হৈছে। বিজেপিৰ কেন্দ্ৰীয় নিৰ্বাচনী সমিতিয়ে শ্ৰীসুমনৰ নাম চূড়ান্ত কৰে।

০০০০০০

বিগত মাহৰ ২২ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশৰ সকলো শ্ৰেণীৰ নাগৰিকক লাভান্বিত কৰাৰ উদ্দেশ্যে জি এছ্ টি সঞ্চয় উৎসৱৰ ঘোষণা কৰিছিল। জি এছ্ টি সংস্কাৰৰ পাছত অসমত হোৱা অৰ্থনৈতিক বিকাশ সন্দৰ্ভত এয়া আমাৰ এক প্ৰতিবেদন-

জি এছ্ টি সংস্কাৰে অসমৰ শিপিনী, কৃষক আৰু ক্ষুদ্ৰ ব্যৱসায়ীসকলক যথেষ্ট সকাহ প্ৰদান কৰিছে। নতুন কৰ গাঁথনি অনুসৰি ৰাজ্যখনৰ পৰম্পৰাগত আৰু আঞ্চলিক সামগ্ৰীসমূহৰ ক্ষেত্ৰত জি এছ্ টি ৰেহাই দিয়া হৈছে। এই সংস্কাৰে অসমৰ বিশেষকৈ চাহ উদ্যোগক বিশেষভাৱে লাভান্বিত কৰিব, কিয়নো ইয়াৰ ক্ষেত্ৰত মাত্ৰ ৫ শতাংশহে কৰ বাহাল ৰখা হৈছে। ইয়াৰ ফলত চাহ উদ্যোগৰ উৎপাদিত সামগ্ৰীসমূহৰ মূল্য সস্তা হোৱাৰ লগতে ঘৰুৱা আৰু আন্তঃৰাষ্ট্ৰীয় বজাৰত প্ৰতিযোগিতামূলক হৈছে। একে সময়তে সাংস্কৃতিকভাৱে চিহ্নিত অসমৰ উৎপাদিত সামগ্ৰীসমূহ যেনে মুগা সূতা, গামোছা আদিৰ ক্ষেত্ৰত পূৰ্বৰ ১২ শতাংশৰ পৰা ৫ শতাংশলৈ জি এছ্ টি ৰেহাই দিয়া হৈছে। এই ৰেহাইয়ে শিপিনীসকলক লাভান্বিত কৰাৰ লগতে প্ৰতিযোগিতামূলক বজাৰত ফেৰ মাৰিবলৈ সক্ষম হৈছে আৰু ইয়াৰ ফলত উপাৰ্জন বৃদ্ধি পাইছে। পৰ্যটন খণ্ডক লাভান্বিত কৰিবলৈ হোটেলৰ কোঠাৰ প্ৰতি নিশাৰ ৭ হাজাৰ ৫০০ টকাৰ নিৰিখৰ পৰা ৫ শতাংশলৈ কৰ ৰেহাই দিয়া হৈছে। ইয়াৰ ফলত পৰ্যটকসকলে কম খৰচতে অসম ভ্ৰমণ কৰিবলৈ সমৰ্থ হ'ব। এই সংস্কাৰৰ জৰিয়তে সামগ্ৰীৰ বিক্ৰী, নিয়োগৰ সুবিধা আৰু গ্ৰামীণ অৰ্থনীতিক টনকিয়াল কৰাৰ প্ৰয়োস চলোৱা হৈছে।

০০০০০০

আই চি চি মহিলাৰ বিশ্বকাপ প্ৰতিযোগিতাৰ এখন খেলত আজি শ্ৰীলংকা, দক্ষিণ আফ্ৰিকাৰ মুখামুখি হ'ব। শ্ৰীলংকাৰ কলম্বোত হ'বলগীয়া খেলখন বিয়লি ৩ বজাত আৰম্ভ হ'ব। বতৰ বিজ্ঞান কেন্দ্ৰই জনোৱা মতে খেলখনত পাতলীয়া বৰষুণে বিধিপথালি দিব পাৰে। বৰষুণ দিলে প্ৰেমাদাসা ষ্টেডিয়ামৰ পীট্‌চ খেলৰ শেষৰ ভাগলৈ বেটাৰসকলৰ বাবে কিছু অসুবিধাজনক হ'ব পাৰে। ইপিনে, যোৱা নিশা বিশাখাপট্টনমত অনুষ্ঠিত খেলত অষ্ট্ৰেলিয়াই বাংলাদেশক ১০ উইকেটত পৰাস্ত কৰি ছেমি ফাইনেলৰ স্থান নিশ্চিত কৰিছে। অষ্ট্ৰেলিয়াই ১৯৯ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি এলিছা হিলি আৰু ফোবি লিটছফিল্ডৰ সুন্দৰ বেটিঙৰ সহায়ত মাত্ৰ ২৪ অভাৰ ৫টা বলতে নিৰ্ধাৰিত লক্ষ্যত উপনীত হ'বলৈ সমৰ্থ হয়। হিলিয়ে ৭৭টা বলত ১১৩ ৰান আৰু লিটছফিল্ডে ৮৪ ৰান কৰি আউট নোহোৱাকৈ থাকে। ইয়াৰ পূৰ্বে, বাংলাদেশে টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ নিৰ্ধাৰিত ৫০ অভাৰত ৯ উইকেটৰ বিনিময়ত ১৯৮ ৰান সংগ্ৰহ কৰে।

দলৰ হৈ সুভনা মস্তেৰিয়ে সৰ্বাধিক ৬৬ ৰান কৰে। কালিৰ খেলখনকে ধৰি ৫ খন খেলৰ পৰা অষ্ট্ৰেলিয়াই ৯ পইণ্ট সংগ্ৰহ কৰি পইণ্ট তালিকাৰ শীৰ্ষ স্থানত আছে। গ্ৰুপ এৰ দ্বিতীয় স্থানত থকা ভাৰতে অহা দেওবাৰে ইন্দোৰত হ'বলগীয়া এখন খেলত ইংলেণ্ডৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০

খেলো ইণ্ডিয়া ইউনিভাৰ্চিটি গেমছৰ পঞ্চম সংস্কৰণ চলিত বৰ্ষৰ ২৪ নৱেম্বৰৰ পৰা ৫ ডিচেম্বৰলৈকে ৰাজস্থানৰ সাতখন চহৰত অনুষ্ঠিত হ'ব। এই চহৰকেইখন হৈছে জয়পুৰ, আজমেৰ, উদয়পুৰ, যোধপুৰ, বিকানেৰ, কোটা আৰু ভাৰতপুৰ। যুৱ পৰিক্ৰমা আৰু ক্ৰীড়া মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই যুৱ প্ৰতিভাৰ বিকাশ আৰু ভাৰতৰ ক্ৰীড়া পৰিৱেশ তন্ত্ৰ শক্তিশালী কৰাৰ ক্ষেত্ৰত এই ক্ৰীড়া প্ৰতিযোগিতাৰ ভূমিকাত গুৰুত্ব আৰোপ কৰি কয়, যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ দৃষ্টিভংগীৰ জৰিয়তে খেলো ইণ্ডিয়া পদক্ষেপে অংশগ্ৰহণ, প্ৰতিভা বিকাশ আৰু উৎকৰ্ষতাৰ প্ৰসাৰ ঘটাই এক শক্তিশালী ক্ৰীড়া পৰিৱেশ তন্ত্ৰৰ সৃষ্টি কৰিছে।

০০০০০০

সমাপ্ত